**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-11-2024 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

oooooooooo

উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য মণিপুৰৰ পৰিস্থিতি বৰ্তমান নিয়ন্ত্ৰণত আছে। ৰাজ্যখনৰ কোনো অঞ্চলৰ পৰা নতুনকৈ কোনো ধৰণৰ হিংসাত্মক ঘটনাৰ বাতৰি পোৱা হোৱা নাই। অশান্ত ৰাজ্যখনৰ পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে অতিৰিক্তভাৱে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ ৫০টা কোম্পানী প্ৰেৰণ কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত কালি অনুষ্ঠিত এখন উচ্চ পৰ্য়ায়ৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই অনুসৰি মণিপুৰলৈ গৃহ মন্ত্ৰালয়ে অতিৰিক্তভাৱে ৫ হাজাৰ জোৱান প্ৰেৰণ কৰিব। ইপিনে ৰাজ্যখনত বাহৰ পাতি থকা কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সঞ্চালক প্ৰধান অনিছ দয়াল সিঙে কালি ইম্ফলত আৰক্ষী আৰু নিৰাপত্তা বাহিনীৰ মুৰববীসকলৰ সৈতে সাম্প্ৰতিক পৰিস্থিতিৰ পৰ্যালোচনা কৰে।

বৈঠকৰ সিদ্ধান্ত অনুসৰি মন্ত্ৰালয়ৰ উচ্চ পৰ্য়ায়ৰ বিষয়াৰে গঠিত এটা দলে অচিৰেই মণিপুৰৰ হিংসা জৰ্জৰ অঞ্চলসমূহ ভ্ৰমণ কৰিব। অমিত শ্বাহৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকখনত সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন সন্দৰ্ভতো আলোচনা কৰা হয়। ইতিমধ্যে বৃহস্পতিবাৰে জিৰিবামকে ধৰি ছখন থানাৰ অধীনস্থ অঞ্চলত এই আইন বলৱৎ কৰা হৈছে। ইয়াৰ পূৰ্বে ৰাজ্যখনৰ ১৯ খন থানাৰ এলেকাত এই আইন বলৱৎ আছিল।

মণিপুৰৰ সাম্প্ৰতিক উত্তেজনাময় পৰিস্থিতিৰ প্ৰভাৱ ৰাজ্যখনৰ ৰাজনীতিতো পৰিলক্ষিত হৈছে। কালি জিৰিবামৰ বিজেপিৰ জিলা পৰ্য়ায়ৰ ৮ গৰাকী বিষয়ববীয়াই দল ত্যাগ কৰাৰ কথা ঘোষণা কৰিছে।

এন বীৰেন সিং নেতৃত্বাধীন চৰকাৰখনৰ প্ৰতি কনৰাড চাংমা নেতৃত্বাধীন এন পি পিৰ ৭জন বিধায়কে সমৰ্থন প্ৰত্যাহাৰ কৰাৰ কথা কালি ঘোষণা কৰিছে। ইপিনে, চৰকাৰখনলৈ নিঃচৰ্ত সমৰ্থন আগবঢ়াই থকা নাগা পিপ'ল্ছ ফ্ৰণ্টে ৰাজ্যখনৰ শেহতীয়া পৰিস্থিতিত তেওঁলোকে চৰকাৰলৈ আগবঢ়োৱা সমৰ্থন কোনোপধ্যে প্ৰত্যাহাৰ নকৰে বুলি স্পষ্ট কৰি দিছে।

oooooooooo

ৰাজ্যৰ বিদ্যালয় আৰু মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলক আকৰ্ষিত কৰাৰ উদ্দেশ্যে অসম দক্ষতা বিকাশ অভিযানে ৰূপায়ণ কৰা দক্ষতা যাত্ৰা শীৰ্ষক দক্ষতা বিষয়ক সজাগতা উদ্যম কালি কোকৰাঝাৰত আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। ইয়াৰ অংশ হিচাপে কোকৰাঝাৰৰ অতিৰিক্ত জিলা আয়ুক্ত কবিতা ডেকাই পতাকা জোকাৰি শুভাৰম্ভ কৰা দক্ষতা যাত্ৰাৰ বিশেষ বাহনখন অঞ্চলটোৰ বিভিন্ন ঠাইলৈ যাব আৰু শিক্ষাৰ্থীসকলৰ ব্যক্তিত্ব, দক্ষতা আৰু সামৰ্থ্য নিৰূপণৰ উদ্দেশ্যে

চাইক'মেট্ৰিক পৰীক্ষাৰ আয়োজন কৰিব। এই অনলাইন পৰীক্ষাই শিক্ষাৰ্থীসকলক নিজৰ আগ্ৰহ অনুসৰি, সম্ভাব্য জীৱিকাৰ পথ চিনাক্ত কৰাত সহায় কৰিব।

ভ্ৰাম্যমান বাহনখনৰ যাত্ৰা মুকলি কৰি শ্ৰীমতী ডেকাই কয়, যে জীৱিকাৰ নিত্য নতুন প্ৰেক্ষাপটত মহিলাসকলৰ বাবে শিক্ষকতা আৰু নাৰ্চিং আদিয়ে একমাত্ৰ জীৱিকাৰ আহিলা হৈ থকা নাই আৰু তেওঁলোকৰ বাবে ন ন সুযোগ সৃষ্টি হৈছে। নিৰ্দিষ্ট দক্ষতাৰ আহৰণৰ ফলত কৰ্ম-সংস্থাপনৰ সুবিধা যথেষ্ট বৃদ্ধি পায় বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০০০

পাঞ্জাৱ আৰক্ষীৰ চাইবাৰ অপৰাধ খণ্ডই ডিজিটেল এৰেষ্ট চাইবাৰ প্ৰৱঞ্চনাৰ সৈতে জড়িত এটা আন্তঃৰাজ্যিক চক্ৰ উৎখাট কৰিছে। আৰক্ষীয়ে এই সংক্ৰান্তত অসমৰ দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। গ্ৰেপ্তাৰ কৰা লোক দুজন কামৰূপৰ নজৰুল আলী আৰু মইদুল আলী বুলি চিনাক্ত কৰা হৈছে। পাঞ্জাৱৰ আৰক্ষী সঞ্চালক প্ৰধান গৌৰৱ যাদৱে কালি এই কথা প্ৰকাশ কৰে। আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে কয়, যে তদন্তৰ সময়ত লাভ কৰা বেংক একাউণ্ট, হোৱাটছ্ এপ্ একাউণ্ট আৰু মোবাইল নম্বৰৰ তথ্যৰ পৰা প্ৰৱঞ্চনাকাৰীসকলৰ চক্ৰটোৱে অসমৰ দুৰ্গম জিলাৰ পৰা গতি-বিধি চলাই থকাৰ কথা পোহৰলৈ আহিছে। আৰক্ষীৰ চাইবাৰ অপৰাধ শাখাৰ অতিৰিক্ত সঞ্চালক প্ৰধান ভি নীৰজাই কয়, যে পৰিদৰ্শক যুঝাৰ সিঙৰ নেতৃত্বত ৰাজ্যিক চাইবাৰ অপৰাধ অনুসন্ধান দল এটাই যোৱা সপ্তাহত অসমলৈ আহে আৰু কামৰূপ জিলাৰ পৰা দুয়োগৰাকী অভিযুক্তক গ্ৰেপ্তাৰ কৰে।

০০০০০০০০০

**দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ হাটশিঙিমাৰীৰ খাৰুৱাবান্ধা জনতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোৱা নিশা চোৰে লক্ষাধিক টকাৰ কম্পিউটাৰ, লেপটপ চুৰি কৰে। বিগত এসপ্তাহে বিদ্যালয়খনত চিচি কেমেৰা বিকল হোৱাৰ সুযোগ লৈ চোৰে কম্পিউটাৰ কক্ষৰ দৰ্জা ভাঙি ভিতৰত প্ৰৱেশ কৰে। ঘটনা সন্দৰ্ভত বিদ্যালয় কৰ্তৃপক্ষই খাৰুৱাবান্ধা আৰক্ষী চকীত এজাহাৰ দাখিল কৰে।**

০০০০০০০০০

ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ উদ্যোগত আয়োজন কৰা দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণ মাজুলী জিলাতো আজি আৰম্ভ হৈছে। জিলাখনৰ ২০ খন গাঁও পঞ্চায়তত হ'বলগীয়া এই খেল মহাৰণ প্ৰথম পৰ্যায়ত লুইত খাবলু গাঁও পঞ্চায়তত আৰম্ভ হ'ব। প্ৰতিযোগিতাত এইবাৰ কেইবাটাও নতুন খেল অন্তৰ্ভুক্ত কৰাত প্ৰতিযোগিতাসকলৰ মাজত উৎসাহ দেখা গৈছে।

০০০০০০০০০

oooooooooo

সমাপ্ত